জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৩/২০২২

# কোকিলকণ্ঠী গায়িকা, ভাৰতৰত্ন লতা মংগেশকাৰৰ পৰলোকপ্ৰাপ্তিত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

## বিশিষ্ট গায়িকাগৰাকীৰ বিয়োগত আজিৰে পৰা ৰাজ্য চৰকাৰৰ দুদিনীয়া শোক

**দিছপুৰ, ৬ ফেব্ৰুৱাৰী ঃ** বিগত সাতোটা দশকধৰি সুৰৰ যাদুৰে দেশবাসীক মোহাচ্ছন্ন কৰি ৰখা কোকিলকণ্ঠী গায়িকা, ভাৰতৰত্ন লতা মংগেশকাৰৰ পৰলোকপ্ৰাপ্তিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কিংবদন্তি গায়িকা লতা মংগেশকাৰৰ বিয়োগ ভাৰতীয় সংগীত জগতৰ বাবে এক অপূৰণীয় ক্ষতি। ৩৬ টাৰো অধিক ভাষাত কণ্ঠদান কৰাৰ লগতে সহস্ৰাধিক বোলছবিত নেপথ্য গায়িকা হিচাপে কণ্ঠ নিগৰোৱা ভাৰতীয় সংগীতৰ এইগৰাকী মুকুটবিহীন সম্ৰাজ্ঞীৰ প্ৰয়াণত দেশৰ এক উজ্জ্বল জ্যোতিষ্ক অস্তমিত হ'ল বুলি মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে অসমৰ লগতো কোকিলকণ্ঠী গায়িকা লতা মংগেশকাৰৰ এক বিশেষ সাংগীতিক সম্পৰ্ক আছে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু লতা মংগেশকাৰৰ যুগলবন্দীত প্ৰাণ পাই উঠিছিল কেইবাটাও চিৰসেউজ অসমীয়া গীত। “এৰাবাটৰ সুৰ” কথাছবিত লতা মংগেশকাৰে কণ্ঠদান কৰা “জোনাকৰে ৰাতি, অসমীৰে মাটি” শীৰ্ষক গীতটো এতিয়াও সংগীতপ্ৰেমীৰ মুখেমুখে। “গোদাবৰী নৈৰে পৰা অসমী আইলৈ যাচোঁ প্ৰণাম” শীৰ্ষক গীতটোতো কণ্ঠদান কৰিছিল লতা মংগেশকাৰে। ইয়াৰ উপৰি আন অসংখ্য অসমীয়া গীতে লতা মংগেশকাৰৰ কণ্ঠত প্ৰাণ পাই উঠিছিল।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত লতা মংগেশকাৰৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে তেওঁৰ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে, ভাৰতৰত্ন লতা মংগেশকাৰৰ বিয়োগত ৰাজ্য চৰকাৰে আজিৰে পৰা দুদিনীয়া ৰাজ্যিক শোক পালনৰ কথা ঘোষণা কৰিছে। এই সময়ছোৱাত ৰাজ্যত ৰাষ্ট্ৰীয় পতাকা অৰ্দ্ধনমিত কৰি ৰখাৰ লগতে চৰকাৰীভাৱে কোনো ধৰণৰ মনোৰঞ্জনমূলক অনুষ্ঠান আয়োজন কৰা নহ'ব।

**প্ৰঃকুঃবঃ**
**০৬-২-২০২২**